প্ৰেছ বিজ্ঞপ্তি
১৬ মাৰ্চ, ২০১৭

**আৰ বি আইএ নবোদয়া আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, নাগপুৰ, মহাৰাষ্ট্ৰক জাৰি কৰা নিৰ্দেশনাৰ সালসলনি ঘটাইছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে নবোদয়া আৰবান কো-অপাৰেটিভ বেংক লিমিটেড, নাগপুৰক জাৰি কৰা নিৰ্দেশনাৰ সালসলনি ঘটাইছে। এই নিৰ্দেশনা ১৫ জুন, ২০১৭ পৰ্যন্ত, পুনৰীক্ষণ সাপেক্ষে বাহাল হৈ থাকিব। বেংকটোক ইয়াৰ আগতে ১৫ ডিচেম্বৰ, ২০১৬ৰ পৰা নিৰ্দেশনাধীন কৰা হৈছিল।

এই নিৰ্দেশনা, বেংকিং ৰেগুলেচন এক্ট, ১৯৪৯ (সমবায় সমিতিসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য)ৰ ধাৰা ৩৫ক-ৰ উপধাৰা(১)ৰ অন্তৰ্গত প্ৰদত্ত ক্ষমতা অনুযায়ী জাৰি কৰা হৈছিল। আগ্ৰহী ৰাইজৰ দৰ্শণাৰ্থে এই নিৰ্দেশনাৰ প্ৰতিলিপি এটা বেংকটোৰ চৌহদত প্ৰদৰ্শন কৰা হৈছে।

ৰিজাৰ্ভ বেংকৰ দ্বাৰা জাৰি কৰা এই নিৰ্দেশনাক অনুজ্ঞাপত্ৰ বাতিলকৰণ হোৱা বুলি একপ্ৰকাৰে ধৰি লব নালাগে। বেংকটোৱে ইয়াৰ বিত্তীয় অৱস্থা উন্নত হোৱালৈকে সীমাবদ্ধতাৰে বেংকিং ব্যৱসায় চলাই থাকিব। ৰিজাৰ্ভ বেংকে পৰিস্থিতি সাপেক্ষে এই নিৰ্দেশনাবোৰৰ সালসলনি কৰাৰ বাবে বিবেচনা কৰিব পাৰে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/২৪৬৮**